**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-03-2024
**Time :** 1845 Hrs.

## *ASSAMESE REGIONAL BULLETIN*

**:::::::::::::::::::::::::::::::::::**

## Headlines

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ সামৰণি। অসমত ৩৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল।
২। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি ।
৩। নিৰ্বাচনী প্ৰচাৰৰ অংশস্বৰূপে যোৰহাটৰ সভাত বিজেপি নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ। কংগ্ৰেছকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত।
৪। ৰাজ্যৰ ৫টা লোকসভা সমষ্টিত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ । *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। আজি অন্তিম দিনা ২৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। কাজিৰঙা লোকসভা সমষ্টিৰ বাবে ৯ গৰাকী, শোণিতপুৰ সমষ্টিৰ বাবে ৭ গৰাকী, লখিমপুৰৰ বাবে ৫ গৰাকী, ডিব্ৰুগড়ৰ বাবে এগৰাকী আৰু যোৰহাটৰ বাবে ৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী কেশৱ মহন্ত আৰু সমৰ্থকৰ উপস্থিতিত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন দাখিল কৰে।

ইপিনে, বিজেপি মিত্ৰজোঁটৰ প্ৰাৰতী কামাখ্যা প্ৰসাদ তাছাই কাজিৰঙা সমষ্টিৰ বাবে মুখ্যমন্ত্ৰী ড০ শৰ্মা, অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত মনোনয়ন দাখিল কৰে। গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত জনসভাত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কামাখ্যা প্ৰসাদ তাছাক সমৰ্থন জনাবলৈ ৰাইজক আহ্বান জনায়।

বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰঞ্জিত দত্তই সমৰ্থকৰ সৈতে সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ শোণিতপুৰ লোকসভা সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে। তেওঁৰ মনোনয়ন দাখিলৰ সময়ত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, মন্ত্ৰী অশোক সিংহল, জয়ন্ত মল্ল বৰুৱা, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ লগতে কেইবাৰগৰাকী বিধায়ক দলীয় নেতা উপস্থিত থাকে। একেদৰে, আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্য, বিপিএফৰ প্ৰাৰ্থী ৰাজু দেউৰী, জিপিএছৰ প্ৰাৰ্থী ৰিংকু ৰয়ে মনোনয়ন দাখিল কৰে।

আনহাতে, লখিমপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকাই আজি মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ লগতে আন কেইবাগৰাকীও দলীয় নেতাৰ উপস্থিতিত শ্ৰী হাজৰিকাই মনোনয়ন পত্ৰ দাখিল কৰিছে।

ইপিনে, ডিব্ৰুগড় লোকসভা সমষ্টিৰ বাবে আম আদমীৰ প্ৰাৰ্থী মনোজ ধানোৱৰে মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁৰ মনোনয়ন দাখিলৰ সময়ত দলটোৰ ৰাষ্ট্ৰীয় নেতা মুনিশ কৌশিক, ৰাজ্যিক সভাপতি ড° ভবেন চৌধুৰীকে ধৰি কেইবাগৰাকী দলীয় নেতা উপস্থিত থাকে।

উল্লেখযোগ্য যে, প্ৰথম পৰ্যায়ৰ বাবে ইতিমধ্যে বিজেপিৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

প্ৰথম পৰ্যায়ৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ কাইলৈ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

ooooo

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এইটো পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছট্টিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু আৰু কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। এই পৰ্যায়ৰ বাবে কাইলৈ মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৫ এপ্ৰিলত মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। অৱশ্যে ৬ এপ্ৰিলত জম্মু আৰু কাশ্মীৰত মনোনয়ন পৰীক্ষা কৰা হ'ব।

০০০০০

লোকসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। নিৰ্বাচনী প্ৰচাৰৰ অংশস্বৰূপে বিজেপি নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰহাটৰ সভাত অংশ লয়।

একেদৰে, যোৰহাট লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি মাজুলীৰ কেইবাটাও স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ নেতাগৰাকীৰ হৈ বিধায়িকা নন্দিতা দাসে প্ৰচাৰ অভিযানত অংশ লয়। জেংৰাইমুখ, যোৰবিল, দেউৰী গাঁৱত কংগ্ৰেছৰ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিধায়িকাগৰাকীয়ে ৰাইজৰ সমস্যাৰ বুজ লয়।

ইপিনে, লখিমপুৰ লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থী প্ৰদান বৰুৱাই সমষ্টিটোৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। গোগামুখৰ মিংমাং, বৰবাম, কচুতলী, জয়ৰামপুৰ, নলবাৰী, চুতীয়াপাৰা আদি অঞ্চলত প্ৰচাৰ চলায়।

ডিব্ৰুগড় লোকসভা সমষ্টিত বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈয়েও প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

একেদৰে, বিজেপিৰ তামুলপুৰ জিলাৰ অন্তৰ্গত প্ৰতিটো বুথত লোকসভা নিৰ্বাচন উপলক্ষে প্ৰচাৰ অভিযান চলায়। বিটিআৰৰ এম চি এল এ হেমন্ত কুমাৰ ৰাভাই আজি নিৰ্বাচনী প্ৰচাৰত অংশ লয়। তেওঁ গয়বাৰী মণ্ডলৰ প্ৰতিটো বুথৰ সভাপতিৰ ঘৰত বিজেপিৰ পতাকা উত্তোলন আৰু নিৰ্বাচনী প্ৰচাৰ সংলগ্ন কৰাৰ লগতে বুথৰ কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰে।

০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ আজি সামৰণি পৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ অভিযানে ক্ৰমাৎ গতি লাভ কৰিব। বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ কেন্দ্ৰীয় নেতৃত্ব তথা তাৰকা প্ৰচাৰকে শীঘ্ৰেই ৰাজ্যখনত নিজৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে। বিজেপিৰ হৈ দলৰ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মন্ত্ৰী স্মৃতি ইৰাণী, দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, মন্ত্ৰী অৰ্জুন মুণ্ডাকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই এপ্ৰিলৰ প্ৰথম সপ্তাহতে ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে। ইপিনে, কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই অহা ২ এপ্ৰিলত ৰাজ্যত প্ৰচাৰ চলোৱাৰ কথা। তদুপৰি দলৰ নেতা ৰাহুল গান্ধীকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই প্ৰচাৰ অভিযানত অংশ ল'ব। একেদৰে আম আদমী পাৰ্টি, তৃণমূল কংগ্ৰেছকে ধৰি অন্যান্য দলসমূহেও পৰৱৰ্তী সময়ত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিব।

০০০০০

নিৰ্বাচন আয়োগে বিজেপিৰ হিমাচল প্ৰদেশৰ মান্দি সমষ্টিৰ লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থী কংগনা ৰানাৱটৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত কংগ্ৰেছ নেত্ৰী সুপ্ৰিয়া শ্ৰীনেটক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। আয়োগে বিজেপিৰ সাংসদ দিলীপ ঘোষকো পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰে।

০০০০০

অহা ১৯ এপ্ৰিলত ৰাজ্যৰ ৫টা লোকসভা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। **ডিব্ৰুগড়** নিৰ্বাচনী জিলাত নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ নিৰ্বাচন আয়োগে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জয়প্ৰকাশ শিৱহাৰেক সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। পৰ্যবেক্ষকগৰাকীয়ে ৰাইজৰ নিৰ্বাচন সংক্ৰান্তীয় ওজৰ-আপত্তি থাকিলে 86385-45057 ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে। তেওঁ লগতে কোনো প্ৰলোভনৰ বশৱৰ্তী নোহোৱাকৈ নিজৰ বিচাৰ-বিবেচনাৰে ভোটদান কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। **তিনিচুকীয়া** নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা

বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ শেহতীয়া অৱস্থাৰ আজি পৰ্যালোচনা কৰা হয়। এই উপলক্ষে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া স্বপনীল পালে সংশ্লিষ্ট কোষৰ ভাৰপ্ৰাপ্ত বিষয়া, চক্ৰ বিষয়া আৰু খণ্ড বিষয়াসকলৰ বিভিন্ন বিষয় সন্দৰ্ভত অৱগত হয়। এই সভাত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে ন্যূনতম আৱশ্যকীয় সুবিধাসমূহ উপলব্ধ হোৱাটো নিশ্চিত কৰিবলৈ আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। তেওঁ কেন্দ্ৰসমূহক বিজুলী, পানীযোগান, শৌচাগাৰ, প্ৰস্ৰাৱগাৰ, প্ৰতিবন্ধীসকলৰ বাবে ৰেম্প আদি সা-সুবিধা ৰখাটো নিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে তিনিচুকীয়া নিৰ্বাচনী জিলাৰ চাৰিওটা বিধানসভা সমষ্টিত মুঠ ৬৭৯ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰে ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰতে এইবাৰ ৱেব-কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**লখিমপুৰ** লোকসভা সমষ্টিৰ নিৰ্বাচনী ৰিটাৰ্নিং বিষয়াই এখন জাননীৰ জৰিয়তে আসন্ন লোকসভা নিৰ্বাচনত সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জী নিৰীক্ষণৰ দিন ঘোষণা কৰিছে। সেই অনুসৰি অহা ৫ আৰু ১৭ এপ্ৰিলত লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আৰু ১১ এপ্ৰিলত ধেমাজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত দিনৰ ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ ব্যয় পঞ্জী নিৰীক্ষণ কৰা হ'ব।

**গোলাঘাট** জিলাৰ অন্তৰ্গত বোকাখাত উপ-জিলাত আজি লোকসভা নিৰ্বাচনৰ শুভংকৰ উন্মোচন কৰা হয়। ভোটদাতাসকলৰ মাজত ভোটদানৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত ছুইপ কোষৰ উদ্যোগত আজি বিন্দু নামৰ শুভংকৰটো অসমৰ অন্যতম সম্পদ এটা খড়্গযুক্ত গঁড়ক প্ৰতীক হিচাপে লৈ প্ৰস্তুত কৰা হৈছে। বোকাখাতৰ জিলা নিৰ্বাচনী বিষয়া চিমি কৰণে শুভংকৰটো উন্মোচন কৰে।

**ধুবুৰী** লোকসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৪১৬ গৰাকী প্ৰথম পোলিং বিষয়াক আজি ভোটগ্ৰহণৰ প্ৰশিক্ষণ দিয়া হয়। উল্লেখযোগ্য যে জিলাখনত ৩৪৭ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব। জিলা প্ৰশাসনৰ উদ্যোগত কালি ৪১৬ গৰাকী প্ৰিজাইডিং বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। কাইলৈ দ্বিতীয় আৰু পৰহিলৈ তৃতীয় প'লিং বিষয়াসকলক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

ooooo

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচন সৰ্বাত্মক কৰি তোলাৰ লক্ষ্যৰে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকসকলক নিজ বাসগৃহৰ পৰাই ভোটদানৰ সুবিধা প্ৰদান কৰিব। আয়োগে লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ অধীনত এজন ভিডিঅ'গ্ৰাফাৰৰ সৈতে দুজন ভোটগ্ৰহণকাৰী বিষয়াই যোগ্য ভোটাৰক সাক্ষাৎ কৰি ভোটাৰৰ বাসগৃহত ভোটদান প্ৰক্ৰিয়া ৰেকৰ্ড কৰিব। আনহাতে, এই দুই শ্ৰেণীৰ ভোটাৰে যদি নিজেই গৈ ভোটকেন্দ্ৰত ভোটদান কৰিব খোজে তেন্তে তেওঁলোকক ৰেম্প, অপেক্ষাৰ স্থান, হুইল চেয়াৰ, শৌচাগাৰ আদিৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ দিনা প্ৰতিটো ভোটকেন্দ্ৰতে প্ৰতিবন্ধী ভোটাৰ আৰু জ্যেষ্ঠ নাগৰিক ভোটাৰসকলৰ বাবে উপযুক্ত পৰিবহণৰ সুবিধা কৰিবলৈও আয়োগে নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ দিছে। এই শ্ৰেণীৰ ভোটাৰসকলে **সক্ষম-ই চি আই এপত** পঞ্জীয়ন কৰি হুইল চেয়াৰৰ সুবিধা লাভৰ বাবে অনুৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে এইবাৰ বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজন সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি বাকশক্তি আৰু শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা ভোটাৰসকলৰ বাবেও বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন ব্যক্তিসকলে নিৰ্বাচন পৰিচালনা অধিনিয়ম-১৯৬১ৰ নিয়ম অনুসৰি নিজৰ হৈ ভোট দিবলৈ এগৰাকী ব্যক্তিক লগত নিব পাৰিব। তদুপৰি, যিহেতু ভোটকেন্দ্ৰসমূহত ব্ৰেইল লিপিত যুগুতোৱা প্ৰতিৰূপী বেলট কাকত উপলব্ধ হ'ব, সেয়েহে দৃষ্টিহীন ব্যক্তিসকলে এই বেলট ব্যৱহাৰ কৰিব পাৰিব আৰু সংগীৰ পৰা কোনো সহায় নোলোৱাকৈয়ে ই ভি এমৰ বেলট ইউনিটত ব্ৰেইল সুবিধা ব্যৱহাৰ কৰি নিজেই ভোটদান কৰিব পাৰিব।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে ৮৫ বছৰৰ ঊৰ্ধৰ তথা বিশেষভাৱে সক্ষম ভোটদাতাসকলক নিজৰ বাসগৃহৰ পৰা ভোটদানৰ সুবিধা প্ৰদানৰ ব্যৱস্থা লৈছে। জিলা নিৰ্বাচন বিভাগৰ তথ্য অনুসৰি এই ভোটদাতাসকলে নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণৰ দ্বাৰা এই সুবিধা লাভ কৰিব পাৰিব। ইচ্ছুক ভোটদাতাসকলে জিলা নিৰ্বাচন বিভাগ নতুবা জিলা প্ৰশাসনৰ ৱেবছাইটৰ পৰা সংশ্লিষ্ট প্ৰ-পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

ooooo

জনজাতিৰ প্ৰমাণ পত্ৰৰ বিষয় সন্দৰ্ভত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়াই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা সাময়িক সকাহ লাভ কৰিছে। সাংসদ শৰণীয়া বড়ো জনজাতিৰ অন্তৰ্গত নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিয়ে জাৰি কৰা নিৰ্দেশত উচ্চ ন্যায়ালয়ে অন্তৰৱৰ্তীকালীন স্থগিতাদেশ জাৰি কৰে। উল্লেখযোগ্য যে, এজন ব্যক্তিয়ে সাংসদগৰাকী বড়ো জনজাতিৰ অন্তৰ্গত নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিত অভিযোগ দাখিল কৰিছিল। নিৰীক্ষণ সমিতিয়ে দীৰ্ঘদিন ধৰি অনুসন্ধান চলাই সাংসদগৰাকীক বড়ো জনজাতিৰ নহয় বুলি নিৰ্দেশ দিয়ে। পিছত ৰাজ্য চৰকাৰৰ জনজাতি পৰিক্ৰমা বিভাগে সাংসদ শৰণীয়াৰ জনজাতি প্ৰমাণ পত্ৰ বাতিল কৰে। ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই সাংসদগৰাকীয়ে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰে। এই লেখ আবেদনৰ শুনানি গ্ৰহণৰ অন্তত উচ্চ ন্যায়ালয়ে সাংসদ শৰণীয়াক জনজাতি নহয় বুলি জাৰি কৰা নিৰ্দেশনাত স্থগিতাদেশ জাৰি কৰিছে। উচ্চ ন্যায়ালয়ৰ ৰায়ৰ ফলত নব কুমাৰ শৰণীয়াই অনাগত লোকসভা নিৰ্বাচনত কোকৰাঝাৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বাট প্ৰশস্ত হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত নিজৰ প্ৰথম জয়ৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব।

ooooo

**ঃসমাপ্তঃ**